# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-12-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
## *Headlines*

**- - - - - - - - - - - - - -**

১। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত সৰুসজাইত আনুষ্ঠানিকভাৱে **বিকাশৰ ১২ দিন** শীৰ্ষক উন্নয়ন কাৰ্যসূচীৰ শুভাৰম্ভ।

২। ২০২৪ বৰ্ষৰ ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটা প্ৰদান। মাজুলীৰ জেংৰাই গাঁও পঞ্চায়তৰ শিশু বাবে অনুকূল পঞ্চায়ত শিতানত দেশৰ ভিতৰত প্ৰথমস্থান।

৩। সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাকে ধৰি সকলো পৰীক্ষা সম্পূৰ্ণ দায়বদ্ধতাৰে আৰু স্বচ্ছভাৱে সম্পন্ন কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অসম লোকসেৱা আয়োগক সকীয়নি।

৪। শাসকীয় আৰু বিৰোধী পক্ষৰ সদস্যসকলৰ মাজৰ বাক-বিতণ্ডাৰ বাবে সংসদৰ দুয়োখন সদনৰ কাৰ্যক্ৰমণিকা আজি দিনটোৰ বাবে স্থগিত।

**আৰু**

৪। ৬৮ সংখ্যক ৰাষ্ট্ৰীয় স্কুল ক্ৰীড়াত গুৱাহাটীৰ তক্ষীল মজুমদাৰৰ ৰূপ পদক অৰ্জন।

০০০০

ৰাজ্য চৰকাৰৰ উদ্যোগত আজি শিক্ষা, ৰাজহ, উদ্যোগ আৰু বিত্ত বিভাগৰ জৰিয়তে সকলো জিলাতে **বিকাশৰ ১২ দিন** শীৰ্ষক উন্নয়ন কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হৈছে। গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ **বিকাশৰ ১২ দিন**ৰ কাৰ্যসূচী শুভাৰম্ভ কৰে।

এই কাৰ্যসূচীৰ অংশ হিচাপে ৰাজ্য চৰকাৰৰ প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত আজিৰেপৰা ২৬ হাজাৰ ৯৬৯ গৰাকী শিক্ষাৰ্থীলৈ আনন্দৰাম বৰুৱা বঁটা প্ৰদান আনুষ্ঠানিকভাৱে আৰম্ভ কৰে। একেদৰে ড° বাণীকান্ত কাকতি বঁটা প্ৰদান আঁচনিৰ অধীনত দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত কৃৰ্তিত্ব অৰ্জন কৰা শিক্ষাৰ্থীক স্কুটী বিতৰণ কাৰ্যসূচীৰ আজি আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। মুখ্যমন্ত্ৰীয়ে এই বঁটা প্ৰদানৰ শুভাৰম্ভ কৰাৰ পাছত পৰৱৰ্তী সময়ত প্ৰতিখন জিলাতে এই বঁটাসমূহ প্ৰদান কৰা হ'ব। আনহাতে, ড° বাণীকান্ত কাকতি বঁটা প্ৰদান কাৰ্যসূচীৰ অধীনত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰ আৰু ৬০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰীক স্কুটী প্ৰদান কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হৈছে। চলিত বছৰত মুঠ ৪৮ হাজাৰ ৬৭৩ গৰাকী ছাত্ৰ-ছাত্ৰীক শিক্ষা বিভাগে এই বঁটা প্ৰদান কৰিব। এই বঁটা প্ৰদান অনুষ্ঠানতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, যে যিসকলে উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ ৰাজ্যৰ বাহিৰৰ মহাবিদ্যালয়ৰ লগতে আন ক'চিং কৰিবলৈ গৈছে তেওঁলোকে এই বঁটা নাপাব। অসমৰ মহাবিদ্যালয়ত নামভৰ্তি কৰিলেহে এই বঁটাৰ বাবে বিবেচিত হ'ব বুলি তেওঁ লগতে উল্লেখ কৰে। আজিৰ অনুষ্ঠানতে কামৰূপ জিলাৰ ২ হাজাৰ ৭৩৫ খন আৰু কামৰূপ মহানগৰ জিলাত ২ হাজাৰ ৯০৭ খন স্কুটী বিতৰণ কৰা হয়।

একেটা অনুষ্ঠানতে ৰাজ্য চৰকাৰে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ জৰিয়তে দুৰ্যোগত ক্ষতিগ্ৰস্ত পৰিয়াললৈও সাহায্য প্ৰদান কৰা হয়। লগতে কৃষি, মীণ, পশুপালন আৰু পশুচিকিৎসা খণ্ডত ক্ষতিগ্ৰস্ত পৰিয়াললৈ সাহায্য তথা ৰাজ্যৰ মাইক্ৰ'ফাইনেন্সৰ ঋণীক No Dues Certificate প্ৰদান কৰা হয়।

একেটা কাৰ্যসূচীৰে অংশ হিচাপে যোৰহাট ষ্টেডিয়ামত আজি উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ২ হাজাৰ ১১৮ গৰাকী ছাত্ৰীৰ ভিতৰত ১০ গৰাকীক মন্ত্ৰী অজন্তা নেওগে আনুষ্ঠানিকভাৱে স্কুটীৰ ছাবি প্ৰদান কৰে। জিলাখনত ৮ হাজাৰ ৫০৬ গৰাকী নৱম শ্ৰেণীত অধ্যয়নৰত শিক্ষাৰ্থীক চাইকেল প্ৰদান কৰা হ'ব।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতৌ দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত পঞ্চায়তীৰাজ মন্ত্ৰালয়ে আয়োজন কৰা এটা অনুষ্ঠানত ২০২৪ বৰ্ষৰ ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটাসমূহ প্ৰদান কৰে। অনুষ্ঠানত তৃণমূল পৰ্যায়ৰ প্ৰশাসন আৰু সমূহীয়া উন্নয়নৰ ক্ষেত্ৰত লাভ কৰা সাফল্যক প্ৰতিফলিত কৰি বিভিন্ন শাখাত মুঠ ৪৫খন পঞ্চায়তক এই বঁটা প্ৰদান কৰা হয়। মাজুলীৰ উজনি মাজুলী উন্নয়ন খণ্ডৰ

অন্তৰ্গত জেংৰাই গাঁও পঞ্চায়তে শিশুৰ বাবে অনুকূল পঞ্চায়ত শিতানত  দেশৰ ভিতৰতে প্ৰথম স্থান লাভ কৰে। উল্লেখযোগ্য যে ওড়িশা আৰু ত্ৰিপুৰাই সৰ্বাধিক সাতটাকৈ বঁটা লাভ কৰে।

বঁটা প্ৰাপক পঞ্চায়তসমূহলৈ অভিনন্দন জ্ঞাপন কৰি ৰাষ্ট্ৰপতি মুৰ্মুৱে কয়, যে পঞ্চায়তসমূহৰ নিষ্ঠা আৰু প্ৰচেষ্টাৰ প্ৰতীক স্বৰূপ এই বঁটাসমূহে ভৱিষ্যতেও ভালদৰে কাম কৰিবলৈ অনুপ্ৰেৰণা যোগাব। তেওঁ কয় যে দেশৰ প্ৰায় ৬৪ শতাংশ নাগৰিক গ্ৰামাঞ্চলত বাস কৰে আৰু সেয়েহে ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিবলৈ হ'লে গাঁও আৰু গাঁওবাসীৰ উন্নয়ন অত্যন্ত জৰুৰী।

০০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগৰ শেহতীয়া নিৰ্দেশনা অনুসৰি অহা বছৰৰ ১ জানুৱাৰীক ভিত্তি তাৰিখ হিচাপে গ্ৰহণ কৰি আজি চৰাইদেউ জিলা পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ অন্তৰ্গত আঞ্চলিক পঞ্চায়তসমূহৰ ফটোবিহীন খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। এই সন্দৰ্ভত বিস্তৃতভাৱে অৱগত কৰোৱাৰ উদ্দেশ্যে আজি জিলা আয়ুক্ত ড০ নেহা যাদৱৰ অধ্যক্ষতাত লাকুৱা, সাপেখাটী, সোণাৰি আৰু মাহমৰা আঞ্চলিক পঞ্চায়তৰ সচিবসকলৰ লগতে জিলাখনৰ বিভিন্ন ৰাজনৈতিক দলৰ  প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠক অনুষ্ঠিত হয়। জনসাধাৰণে ৰাজ্যিক নিৰ্বাচন আয়োগৰ ৱেবছাইট ermssec.assam.gov.in ত নিজৰ ভোটাৰ কাৰ্ডৰ এপিক নম্বৰৰ জৰিয়তে তেওঁলোকৰ নামসমূহ পৰীক্ষা কৰিব পাৰিব।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে ভৱিষ্যতে সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাকে ধৰি সকলো পৰীক্ষা সম্পূৰ্ণ দায়বদ্ধতাৰে আৰু স্বচ্ছভাৱে সম্পন্ন কৰিবলৈ অসম লোকসেৱা আয়োগক সকিয়াই দিছে। ন্যায়ালয়ে আজি অসম লোকসেৱা আয়োগৰ ২০১৮ চনৰ পৰীক্ষাৰ বিসংগতি সম্পৰ্কীয় এটা গোচৰৰ ৰায়দান কৰি আয়োগক এইদৰে সতৰ্ক কৰি দিয়ে। উচ্চ ন্যায়ালয়ে কয় যে আয়োগে পৰীক্ষাত এন্‌চাৰ কী আৰু ফলাফল সম্পূৰ্ণ স্পষ্টভাৱে ঘোষণা কৰিব লাগে যাতে কোনো প্ৰাৰ্থীৰ মাজত সন্দেহৰ অৱসান থাকি নাযায়। ৰায়দান কালত ২০১৮ চনৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত ছগৰাকী প্ৰাৰ্থীৰ ফলাফল ঘোষণা কৰি ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰিবলৈও ন্যায়ালয়ে আয়োগক নিৰ্দেশ দিয়ে।

০০০০০

উত্তৰ-পূব সীমান্ত ৰেলৱেৰ আলিপুৰ সংমণ্ডলৰ অধীনৰ অসম সীমান্তৰ ওচৰত পশ্চিমবংগৰ জোৰাই ৰে'ল ষ্টেচনত আজি কেইবাটাও কোচ-ৰাজবংশী সংগঠনে আহ্বান দিয়া অনিৰ্দিষ্টকালীন ৰে'ল অৱৰোধৰ ফলত ৰাজধানী এক্সপ্ৰেছকে ধৰি কেইবাখনো ৰে'লগাড়ীৰ যাত্ৰা পথ সলনি কৰিবলগীয়া হয়। এই অৱৰোধৰ বাবে আজি গুৱাহাটী আৰু নিউ জলপাইগুৰিৰ মাজত চলাচল কৰা বন্দে ভাৰত এক্সপ্ৰেছ আৰু বঙাইগাঁও-নিউ জলপাইগুৰিৰ মাজত চলাচল কৰা এক্সপ্ৰেছকেইখনৰো যাত্ৰা বাতিল কৰিবলগীয়া হয়। উত্তৰ-পূব সীমান্ত ৰে'লৱেই জনোৱা মতে আজি পুৱা প্ৰায় ৬ বাজি ৪৫ মিনিটত জোৰাই ৰে'ল ষ্টেচনত কেইবাহাজাৰো লোক সমবেত হৈ ৰে'ল পথত অৱস্থান কৰিবলৈ লয় আৰু ফলত সেই পথছোৱাৰে ৰে'ল চলাচল বন্ধ হৈ পৰে। উত্তৰ-পূব সীমান্ত ৰে'লৱেই ফকিৰাগ্ৰাম-গোলকগঞ্জ-নিউ কোচবিহাৰ বিকল্প পথেৰে উজনিমুৱা ব্ৰহ্মপুত্ৰ মেইল, উজনিমুৱা কামৰূপ এক্সপ্ৰেছ, ২০৫৪৩ নামনিমুৱা ৰাজধানী এক্সপ্ৰেছ, ১২৪২৩ নামনিমুৱা ৰাজধানী এক্সপ্ৰেছ, বিবেক এক্সপ্ৰেছ, কেপিটেল এক্সপ্ৰেছ, শিলচৰ-কইম্বাটুৰ এক্সপ্ৰেছ, ডিব্ৰুগড়-দেওঘৰ এক্সপ্ৰেছ ৰে'লগাড়ীকেইখনৰ চলাচল কৰোৱায়। এন এফ ৰে'লৱে কৰ্তৃপক্ষই জোৰাই ৰে'ল ষ্টেচনৰ সুৰক্ষাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে বুলি ইয়াৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়াই জনাইছে।

০০০০০

কংগ্ৰেছে সদ্যসমাপ্ত উপ-নিৰ্বাচনত লাভ কৰা পৰাজয়ৰ পৰ্যালোচনাৰ উদ্দেশ্যে ১৩ ডিচেম্বৰৰ পৰা তিনি-দিনীয়া বৈঠকৰ আহ্বান কৰিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আজি সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে গুৱাহাটীত হ'বলগীয়া এই পৰ্যালোচনা বৈঠকত দলৰ উন্নয়ন খণ্ড আৰু জিলা পৰ্যায়ৰ কৰ্মকৰ্তাসকলে অংশগ্ৰহণ কৰিব আৰু নিৰ্বাচনত দলটোৰ প্ৰদৰ্শনৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হ'ব। কংগ্ৰেছে পঞ্চায়ত নিৰ্বাচনৰ বাবেও প্ৰস্তুতি আৰম্ভ কৰিছে বুলি উল্লেখ কৰি সভাপতিগৰাকীয়ে কয় যে দলে আসন্ন পঞ্চায়ত নিৰ্বাচনত জনমানসত ভাল ভাৱমূৰ্তিৰ প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ চেষ্টা চলাব। তেওঁ লগতে কয় যে বিজেপিৰ সন্মুখীন হোৱা বাবে কংগ্ৰেছে সকলো বিৰোধী দলক ঐক্যবদ্ধ কৰাৰ সপক্ষে মত পোষণ কৰি আহিছে।

ইপিনে, শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে আজি কয় যে নিৰ্বাচনৰ পূৰ্বে আসনৰ ভাগ-বাটোৱাৰাৰ চুক্তি চূড়ান্ত কৰিব পাৰিলেহে কংগ্ৰেছৰ সৈতে মিত্ৰতা কৰিব পৰা যায়।

০০০০০

আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱসৰ সৈতে সংগতি ৰাখি ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান ধুবুৰীৰ উদ্যোগত ধুবুৰীৰ জৱাহৰ হিন্দী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত আজি এটা স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীত ১৮ বছৰ বয়সৰ তলৰ সকলো ল'ৰা-ছোৱালীৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষা কৰি বিনামূলীয়া ঔষধ বিতৰণ কৰা হয়।  বিভিন্ন কাৰণত দিব্যাংগ শিশুসকলক, এই স্বাস্থ্য শিবিৰতে বিশেষভাৱে চিনাক্ত কৰি ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমৰ যোগেদি সম্পূৰ্ণ বিনামূলীয়া চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে।

স্বাস্থ্য শিবিৰটোত বিদ্যালয়ৰ মুঠ ৩৩৫ গৰাকী ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য পৰীক্ষা কৰি প্ৰয়োজন অনুসৰি বিনামূলীয়া চিকিৎসা তথা ঔষধ বিতৰণ কৰা হয়।

০০০০০

বিশেষ টাস্ক ফোৰ্চৰ এটা দলে আজি গোপন সূত্ৰৰ পম খেদি মহানগৰীৰ বেতকুছিৰ আন্তঃৰাজ্যিক বাছ আস্থানৰ পৰা প্ৰায় ২৩৯ দশমিক ৫ গ্ৰাম হেৰোইন জব্দ কৰে। আন্তঃৰাষ্ট্ৰীয় বজাৰত এই হেৰোইনখিনিৰ মূল্য প্ৰায় ২ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে। টাস্ক ফোৰ্চে এই ঘটনা সংক্ৰান্তত নুৰুল হক নামৰ এজন লোক গ্ৰেপ্তাৰ কৰিছে।

০০০০০

বি টি আৰৰ তথ্য আৰু জনসম্পৰ্কৰক্ষী বিভাগে ছাত্ৰ-ছাত্ৰীৰ মাজত সামাজিক মাধ্যমৰ প্ৰভাৱ আৰু চাইবাৰ সুৰক্ষাৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি কোকৰাঝাৰৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত বিশেষ সজাগতা অভিযানৰ আয়োজন কৰে। বি টি আৰৰ কাৰ্যবাহী সদস্য ড০ নিলুট স্বৰ্গীয়াৰীয়ে উদ্বোধন কৰা এই অভিযানত কেৰিয়াৰ সম্পৰ্কীয় পৰামৰ্শদাতা ৰঞ্জন কে বৰুৱা আৰু বি টি চিৰ সচিব ৰক্তিম বৰুৱা উপস্থিত থাকে।

০০০০০

চিৰাং জিলাৰ অন্তৰ্গত আমলাইগুৰি আদৰ্শগাঁৱত আন্তঃগাঁথনি উন্নয়নৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে গাঁওখনত আজি কেইবাখনো উন্নয়নমূলক আঁচনিৰ আধাৰশিলা স্থাপন কৰা হয়। ছিদলী বিধানসভা সমষ্টিৰ নৱ-নিৰ্বাচিত বিধায়ক নিৰ্মল কুমাৰ ব্ৰহ্মাই গাঁওখনৰ ৰাষ্ট্ৰীয় পথ সংযোগী মূল দলংখনৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে বিধায়ক ব্ৰহ্মাই গাঁওখনে চৰকাৰী নিয়ম অনুসৰি সোনকালে পূৰ্ণতা লাভ কৰিব বুলি আশা ব্যক্ত কৰে। তেওঁ বিধায়ক হিচাপে আদৰ্শ গাঁওখনৰ উন্নয়নত সহায় কৰিব বুলিও মন্তব্য কৰে।

০০০০০

বভিন্ন বিষয় লৈ শাসকীয় আৰু বিৰোধী পক্ষৰ মাজত আজি সংসদৰ উভয় সদনত তুমুল বাক-বিতণ্ডাৰ সৃষ্টি হয়। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰখাৰ বিপৰীতে লোকসভাৰ কাম-কাজ কেইবাবাৰো স্থগিত ৰাখিবলগীয়া হয়।

কাম-কাজ প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত উচ্চ সদনৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই আমেৰিকা যুক্তৰাষ্ট্ৰৰ জৰ্জ ছ'ৰ'ছ সংস্থাৰ সৈতে কংগ্ৰেছৰ একাংশ নেতাৰ সম্পৰ্ক থকা বুলি উঠা অভিযোগ সম্পৰ্কে সদনত আলোচনা হ'ব লাগে বুলি দাবী জনায়। তেওঁ লগতে ৰাজ্য সভাৰ সভাপতি জগদীপ ধনখড়ৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আনি বিৰোধী পক্ষই জনসাধাৰণৰ মনোযোগ অন্য দিশে ঢাল খুওৱাৰ চেষ্টা চলাইছে বুলি অভিযোগ তোলে। উচ্চ সদনৰ উপ-সভাপতি হৰিবংশে প্ৰতিবাদৰত সদস্যসকলক নিজ নিজ আসন গ্ৰহণ কৰিবলৈ আৰু সদনৰ কাম-কাজ চলাই নিয়াত সহায় কৰিবলৈ আহ্বান জনায় যদিও তেওঁৰ চেষ্টা অথলে যায়। পাছত উপ-সভাপতিগৰাকীয়ে সদনৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰখাৰ কথা ঘোষণা কৰে। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত উচ্চ সদন মিলিত হোৱাৰ সময়ত সভাপতি জগদীপ ধনখড়ে বিভিন্ন বিষয় লৈ বিৰোধী পক্ষৰ সাংসদসকলে দাখিল কৰা সভাস্থগিতকৰণৰ জাননী প্ৰত্যাখ্যান কৰে। ইয়াৰ পাছতে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে ৰাজ্যসভাৰ সভাপতিৰ বিৰুদ্ধে দাখিল কৰা অনাস্থা প্ৰস্তাৱৰ জাননীৰ বাবে বিৰোধী পক্ষক তীব্ৰ গৰিহণা দিয়ে। এনে হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে সভাপতিয়ে সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰাখে।

লোকসভাত পুৱাৰ ভাগত প্ৰশ্নকালৰ কাম-কাজ নিয়াৰিকৈ সম্পন্ন হয়। ইয়াৰ পাছতে শূন্যকালত কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে মণিপুৰৰ আইন-শৃংখলা পৰিস্থিতিৰ বিষয় উত্থাপন কৰে। ইয়াৰ পাছতে শ্ৰী গোৱেলে একাংশ কংগ্ৰেছ নেতাৰ আমেৰিকাৰ জৰ্জ ছ'ৰ'ছ সংস্থাৰ সৈতে সম্পৰ্ক থকা বুলি অভিযোগ তুলি তেওঁলোকৰ অভিপ্ৰায়ক লৈ প্ৰশ্ন উত্থাপন কৰে। সদন পৰিচালনাৰ দায়িত্বত থকা সভাপতিগৰাকীয়ে পৰিস্থিতি শান্ত কৰাৰ চেষ্টা চলায় যদিও তেওঁৰ প্ৰচেষ্টা অথলে যায়। পাছত সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়। ইয়াৰ পাছত সদন পুনৰ মিলিত হোৱাৰ সময়ত ৰে'লৱে সংশোধনী বিধেয়ক ২০২৪ গৃহীত কৰা হয়। আনহাতে দুৰ্যোগ ব্যৱস্থাপনা সংশোধনী বিধেয়ক ২০২৪ গৃহীত কৰাৰ ক্ষেত্ৰত বিবেচনাৰ বাবে গ্ৰহণ কৰা হয়। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সদস্যসকলক ব্যক্তিগত বাক-বিতণ্ডা পৰিহাৰ কৰি সদনত আলোচিত বিষয়টো সন্দৰ্ভত আলোচনা আগবঢ়াই নিবলৈ আহ্বান জনায় যদিও শাসক-বিৰোধী পক্ষৰ অভিযোগ-প্ৰতি-অভিযোগৰ পৰিপ্ৰেক্ষিতত সদনৰ কাম-কাজ প্ৰথমে বিয়লি ৪ বাজি ৪০ মিনিটলৈ আৰু পাছত পুনৰ ৫ বজালৈ স্থগিত ৰখা হয়। বিয়লি ৫ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত একে পৰিস্থিতি বাহাল থকাৰ বাবে অধ্যক্ষই লোকসভাৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ঘোষণা কৰে।

০০০০০

গুৱাহাটীৰ তৰুীল মজুমদাৰে দিল্লীৰ ত্যাগৰাজ ষ্টেডিয়ামত অনুষ্ঠিত ৬৮ সংখ্যক ৰাষ্ট্ৰীয় স্কুল ক্ৰীড়াত ৰূপৰ পদক অৰ্জন কৰিছে। তৰুীলে আজি ল'ৰাৰ ১৭ বছৰ অনুৰ্দ্ধৰ কুমিটেৰ ৫০ কিলোগ্ৰাম ওজন শাখাত এই কৃতিত্ব অৰ্জন কৰে। সদৌ অসম কাৰাটে সন্থাৰ সভাপতি তথা বিধায়ক দিগন্ত কলিতা আৰু সাধাৰণ সম্পাদক আদৰ্শ চৌধুৰীয়ে খেলুৱৈগৰাকীক অভিনন্দন জনাইছে।

০০০০০

পাৰ্থত অনুষ্ঠিত মহিলা ক্ৰিকেটৰ এদিনীয়া শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত আজি অষ্ট্ৰেলিয়াই ভাৰতক ৮৩ ৰানত পৰাস্ত কৰে। অষ্ট্ৰেলিয়াই শৃংখলাটোৰ তিনিওখন খেলতে জয়লাভ কৰি অপ্ৰতিৰোধ্য হৈ থাকে। ভাৰতে ২৯৯ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি ৪৫ অভাৰ এটা বলত আটাইকেইটা উইকেট ২১৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ স্মৃতি মান্ধানাই সৰ্বাধিক ১০৫ ৰান কৰে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত ৬টা উইকেট হেৰুৱাই ২৯৮ ৰান সংগ্ৰহ কৰে। ঘৰুৱা দলটোৰ হৈ এনাবেল ছাডাৰলেণ্ডে ৯৫টা বলত ১১০ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অৰুন্ধতী ৰেড্ডীয়ে চাৰিটা উইকেট দখল কৰে।

০০০০০

ৰাজ্যখনৰ এগৰাকী যশস্বী সন্তুৰ বাদক, আকাশবাণী আৰু দূৰদৰ্শনৰ স্বীকৃতিপ্ৰাপ্ত শিল্পী পংকজ শৰ্মাৰ আজি পুৱতি নিশা বৃক্কজনিত ৰোগত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতালত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৮ বছৰ। নলবাৰীৰ বৰকুলহাটীত জন্ম গ্ৰহণ কৰা শৰ্মা গুৱাহাটীৰ পাঞ্জাবাৰীৰ স্থায়ী বাসিন্দা আছিল আৰু ভালেমান সামাজিক-সাংস্কৃতিক সংস্থাৰ সৈতে জড়িত আছিল।

০০০০০

সমাপ্ত